# জাননী

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষৰ বাবে নিম্ন উল্লেখিত সামগ্ৰী বিতৰণৰ বাবে অৰ্থ-সাহাৰ্য্যৰে অসমৰ স্থায়ী বাসিন্দাৰ অধিসূচীত ধৰ্মীয় সংখ্যালঘু (মুছলিম, খ্ৰীষ্টান, শিখ, বৌদ্ধ, জৈন আৰু পাৰ্চী) সম্প্ৰদায়ৰ বাবে (I) e-Rickshaw মুঠ খৰচৰ ৮০% চৰকাৰী অনুদান আৰু ২০% হিতাধিকাৰীয়ে বহন কৰিব লাগিব আৰু (II) Sewing Machine, (III) Fashion Design Machine (IV) Automatic Paper Plate Making machine ইত্যাদি সামগ্ৰী সম্পূৰ্ণ বিনামুলিয়াকৈ বিতৰণৰ বাবে আবেদন বিচৰা হৈছে। আবেদনকাৰি সকলৰ বছেৰকীয়া আয় তিনি লাখ (৩.00 লাখ) টকাতকৈ অধিক হ'ব নোৱাৰিব। আবেদনকাৰি সকলে অনলাইনযোগে প্ৰ-পত্ৰ পূৰণ কৰিব লাগিব আৰু আবেদনৰ লগতে যাৱতীয় নথি-পত্ৰ আপলোড কৰিব লাগিব । ইয়াৰ উপৰিও এই নথি-পত্ৰ সমূহৰ ফটোকপি মূল কপি বাছনি প্ৰক্ৰিয়াৰ সময়ত লৈ আহিব লাগিব। বাছনিকৃত আবেদনকাৰী সকলক অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ তৰফৰ পৰা জনোৱা হ'ব। ইচ্ছুক আবেদনকাৰি সকল তথা আত্ম সহায়ক গোট সমুহক অহা ১৭/০১/২০২৪ তাৰিখৰ ভিতৰত **https://amdb.assam.gov.in** (Assam Minorities Development Board) ৱেবচাইটত অনলাইন যোগে আবেদন দাখিল কৰিব লাগিব। অসম্পূৰ্ণ আবেদন প্ৰ-পত্ৰ গ্ৰহনযোগ্য নহ'ব। অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ বাছনি কমিটিৰ সিদ্ধান্তই চূড়ান্ত সিদ্ধান্ত হ'ব।

| ক্ৰমিক নং | আচনিৰ নাম | অৰ্হতা |
|---|---|---|
| ১ | e-Rickshaw | ১ ) আবেদনকাৰি ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ হব লাগিব ।<br>২) আবেদনকাৰি কমেও পঞ্চম শ্ৰেণী উত্তীৰ্ণ হব লাগিব ।<br>৩) আবেদনকাৰিৰ বয়স ১৮ ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰত হব লাগিব ।<br>৪) আবেদনকাৰিৰ ঘৰৰ ঠিকনাৰ প্ৰমাণ পত্ৰ গাওঁ পঞ্চায়ত, পৌৰ নিগম বা টাউন কমিটিৰ কতৃপক্ষৰ পৰা লব লাগিব ।<br>৫) আবেদনকাৰিৰ ভোটাৰ কাৰ্ড ও পৰিচয় প্ৰমাণ পত্ৰ দিব লাগিব ।<br>৬) বছেৰকীয়া আয়ৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ঠ কতৃপক্ষৰ পৰা সংগ্ৰহ কৰিব লাগিব । |
| ২ | Sewing Machine | ১ ) আবেদনকাৰি ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ ও মহিলা হব লাগিব ।<br>২ ) আবেদনকাৰি কমেও পঞ্চম শ্ৰেণী উত্তীৰ্ণ হব লাগিব ।<br>৩) আবেদনকাৰিৰ বয়স ১৮ ৰ পৰা ৫০ বছৰ বয়সৰ ভিতৰত হব লাগিব ।<br>৪) আবেদনকাৰিৰ ঘৰৰ ঠিকনাৰ প্ৰমাণ পত্ৰ গাওঁ পঞ্চায়ত, পৌৰ নিগম বা টাউন কমিটিৰ কতৃপক্ষৰ পৰা লব লাগিব ।<br>৫) আবেদনকাৰিৰ ভোটাৰ কাৰ্ড ও পৰিচয় প্ৰমাণ পত্ৰ দিব লাগিব ।<br>৬) বছেৰকীয়া আয়ৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ঠ কতৃপক্ষৰ পৰা সংগ্ৰহ কৰিব লাগিব । |
| ৩ | Fashion Design Machine | ১) আবেদনকাৰি আত্মসহায়ক গোটটো পঞ্জীয়ন হব লাগিব আৰু ইয়াৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ঠ কতৃপক্ষৰ পৰা সংগ্ৰহ কৰি আপলোড কৰিব লাগিব ।<br>২) আত্মসহায়ক গোটত কমেও ১০ জন সদস্যা থাকিব লাগিব ।<br>৩) আত্মসহায়ক গোটৰ নামত বেংক একাউন্ট (active) থাকিব লাগিব ।<br>৪) আত্মসহায়ক গোটৰ সদস্যাৰ ঠিকনা ও পৰিচয় পত্ৰ দিব লাগিব ।<br>৫) আবেদনকাৰি আত্মসহায়ক গোটৰ সদস্যা সকল ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ হব লাগিব । |
| ৪ | Automatic Paper Plate Making machine | ১) আবেদনকাৰি আত্মসহায়ক গোটটো পঞ্জীয়ন হব লাগিব আৰু ইয়াৰ প্ৰমাণ পত্ৰ সংশ্লিষ্ঠ কতৃপক্ষৰ পৰা সংগ্ৰহ কৰি আপলোড কৰিব লাগিব ।<br>২) আত্মসহায়ক গোটত কমেও ১০ জন সদস্যা থাকিব লাগিব ।<br>৩) আত্মসহায়ক গোটৰ নামত বেংক একাউন্ট (active) থাকিব লাগিব ।<br>৪) আত্মসহায়ক গোটৰ সদস্যাৰ ঠিকনা ও পৰিচয় পত্ৰ দিব লাগিব ।<br>৫)আবেদনকাৰি আত্মসহায়ক গোটৰ সদস্যা সকল ধৰ্মীয় সংখ্যালঘু সম্প্ৰদায়ৰ হব লাগিব । |

বি.দ্ৰ:

১) The above schemes will be implemented by Assam Minorities Development Board subject to receipt of FOC from the Govt.

২) All the documents as mentioned above should be received from Competent authority and must be uploaded.

৩) For any official clarification: Cell No. 7635998002 (M)

সঞ্চালক,

অসম সংখ্যালঘু উন্নয়ন ব'ৰ্ড

ৰাধা গোবিন্দ বৰুৱা পথ, গণেশগুৰি, গুৱাহাটী-৬